# REGIONAL NEWS UNIT
ALL INDIA RADIO, GUWAHATI
0000000000

Date : 30-03-2026 **Time :** 11.00 Hrs.

বিধানসভা নিৰ্বাচনলৈ মাজত মাথো কেইটামান দিন বাকী থকা অৱস্থাত ৰাজনৈতিক দলসমূহৰ প্ৰচাৰ অভিযান তীব্ৰ হৈ উঠিছে। শাসক-বিৰোধী উভয়ে তাৰকা প্ৰচাৰকক লৈ ভোটদাতাসকলৰ মন জয় কৰাৰ বাবে উঠি পৰি লাগিছে। প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে আজি **মেৰা বুথ সবচে মজবুত** কাৰ্যসূচীৰ অধীনত নমো এপ'ৰ মাধ্যমেৰে বিজেপিৰ জ্যেষ্ঠ নেতা তথা অসম আৰু পুডুচেৰীৰ দলীয় কৰ্মীসকলৰ সৈতে মত বিনিময় কৰিব।

বিজেপিৰ ৰাষ্ট্ৰীয় সভাপতি নীতিন নবীনে আজি জাগীৰোড আৰু বোকাখাতত প্ৰচাৰ চলাব। তেওঁ জাগীৰোডৰ দেওশালত বিজেপি প্ৰাৰ্থী তথা মন্ত্ৰী পীযুষ হাজৰিকাৰ হৈ আৰু বোকাখাতত অগপৰ সভাপতি তথা মন্ত্ৰী অতুল বৰাৰ হৈ প্ৰচাৰ সভাত অংশ ল'ব। শ্ৰীনবীনে কালি মাৰ্ঘেৰিটা, জোনাই আৰু গোগামুখত বিজয় সংকল্প সভাত অংশ লয়।

বিজেপিৰ জ্যেষ্ঠ নেতা তথা মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাই আজি ৫ টা সমষ্টিত প্ৰচাৰ অভিযানত ভাগ লব। তেওঁ প্ৰথমে মাজুলীৰ গড়মূৰত এন ডি এ সমৰ্থিত প্ৰাৰ্থী ভূবন গামৰ হৈ প্ৰচাৰ অভিযানত অংশ লব। ইয়াৰ পাছত তেওঁ নাওবৈচা, চিচিবৰগাওঁ আৰু শদিয়াত দলীয় প্ৰাৰ্থীৰ হৈ প্ৰচাৰ চলাব। সন্ধিয়ালৈ তেওঁ ডিব্ৰুগড়ত এটা ৰোড শ্ব'ত ভাগ লব।

অসম প্ৰদেশ কংগ্ৰেছ সমিতিৰ সভাপতি গৌৰৱ গগৈ, অসম জাতীয় পৰিষদৰ সভাপতি লুৰিণ জ্যোতি গগৈ, ৰাইজৰ দলৰ অখিল গগৈকে ধৰি কংগ্ৰেছ নেতৃত্বাধীন মিত্ৰজোঁটৰ আন আন প্ৰাৰ্থী সকলেও ভোটদাতাক আকৰ্ষণৰ চেষ্টা চলাইছে। কংগ্ৰেছৰ ৰাষ্ট্ৰীয় সভাপতি মল্লিকাৰ্জুন খাৰ্গেই কালি ৫টা প্ৰতিশ্ৰুতিৰে কংগ্ৰেছৰ নিৰ্বাচনী ইস্তাহাৰ মুকলি কৰে।

০০০০০০০

বিধানসভা নিৰ্বাচন উপলক্ষে ভোটদাতাসকলৰ মাজত সজাগতা সৃষ্টিৰ উদ্দেশ্যে জিলাই জিলাই প্ৰণালীবদ্ধ ভোটাৰ শিক্ষা আৰু নিৰ্বাচনী প্ৰক্ৰিয়া অংশগ্ৰহণ অৰ্থাৎ ছুইপ কাৰ্যসূচীৰ অধীনত বিভিন্ন সজাগতামূলক কাৰ্যসূচী ৰূপায়ণ কৰা হৈছে। এই অভিযানে চহৰ-নগৰ আৰু গ্ৰামাঞ্চলকে ধৰি সকলো শ্ৰেণীৰ জনসাধাৰণক সামৰি লৈছে। বিশেষকৈ নৱপ্ৰজন্মৰ ভোটদাতাসকলৰ মাজত এই বিষয়ত সজাগতা সৃষ্টি কৰি তেওঁলোকক ভোটদানৰ প্ৰতি আকৰ্ষিত কৰাৰ বাবে প্ৰয়াস চলোৱা হৈছে। **তিনিচুকীয়া** জিলা প্ৰশাসনে মাৰ্ঘেৰিটা সমষ্টিৰ দিহিং চাহ বাগিচাত আয়োজন কৰা সভাত ভোটাৰ তথ্য পত্ৰ বিতৰণৰ উপৰি ভোটগ্ৰহণ কেন্দ্ৰ, ক্ৰমিক নম্বৰ, ভোটদানৰ তাৰিখ আৰু সময় সন্দৰ্ভত জনসাধাৰণক সজাগ কৰিছে। **চিৰাং** জিলা প্ৰশাসনে মহাবিদ্যালয়ৰ ছাত্ৰ-ছাত্ৰীসকলৰ সৈতে মত বিনিময় কৰাৰ লগতে ভোটাৰ সাক্ষৰতা অভিযানৰ অংশ হিচাপে গছপুলি ৰোপণৰ দৰে কাৰ্যসূচী ৰূপায়ণ কৰিছে। একেদৰে **নগাঁও** জিলা প্ৰশাসনে বিদ্যালয় পৰিদৰ্শক কাৰ্যালয়ৰ সৌজন্যত জন সচেতনতামূলক কাৰ্যসূচীৰ উপৰি বেনাৰ, পোষ্টাৰ আৰু শ্ল'গানৰ ব্যৱহাৰেৰে সজাগতা বৃদ্ধি কৰাৰ প্ৰয়াস কৰিছে। জিলাই জিলাই বিভিন্ন নামেৰে নিৰ্বাচনী শুভংকৰো মুকলি কৰা হৈছে। **ধুবুৰী** জিলা প্ৰশাসনে ব্ৰহ্মপুত্ৰৰ নদী ড'লফিনৰ প্ৰেৰণাৰে **শিহুৰীয়া**, শীতৰ পৰিভ্ৰমী চৰাই দেওবাজ হাঁহক লৈ **মাজুলী** জিলা প্ৰশাসনে **দেওবাজ**, দুগ্ধশিল্পই

**বজালী** জিলাৰ অৰ্থনীতিত আগবঢ়োৱা বৰঙণিৰ চিহ্ন হিচাপে **কামধেনু, মানস অভয়াৰণ্যত** বিলুপ্তিপ্ৰায় নলগাহৰি আধাৰত, বাক্সা জিলাত **পিগমি** শীৰ্ষক শুভংকৰ মুকলি কৰিছে।

JUBIN GARG/PTC/GHY (30-03-2026) 11.00 AM

শিল্পী জুবিন গাৰ্গৰ ছিংগাপুৰত ৰহস্যজনক মৃত্যুৰ গোচৰৰ শুনানি আজিৰে পৰা ফাষ্ট ট্ৰেক আদালতত চলিব। ন্যায়াধীশ শৰ্মিলা ভূঞাৰ ফাষ্ট ট্ৰেক আদালতে আজিৰে পৰা দৈনিক জুবিন গাৰ্গৰ মৃত্যুৰ গোচৰৰ শুনানি গ্ৰহণ কৰিব। উল্লেখযোগ্য যে, চৰকাৰৰ আহ্বান মৰ্মে গুৱাহাটী উচ্চ ন্যায়ালয়ে শিল্পীগৰাকীৰ মৃত্যুৰ গোচৰ পৰিচালনাৰ বাবে বাক্সা জিলাৰ জিলা আৰু চেছন ন্যায়াধীশ শৰ্মিলা ভূঞাক ফাষ্ট ট্ৰেক আদালতৰ বাবে মনোনীত কৰিছিল। এই অনুসৰি উচ্চ ন্যায়ালয়ে যোৱা ২৬ মাৰ্চত ন্যায়াধীশগৰাকীক বাক্সাৰ পৰা গুৱাহাটীলৈ বদলিৰ নিৰ্দেশ দিয়ে। এই নিৰ্দেশৰ পাছতেই আজি কামৰূপ জিলা আৰু চেছন ন্যায়াধীশৰ ৩ নম্বৰ আদালতত ন্যায়াধীশ শৰ্মিলা ভূঞাৰ নেতৃত্বত জুবিন গাৰ্গৰ মৃত্যুৰ গোচৰৰ শুনানি গ্ৰহণ কৰা হ'ব।

ooooooo

শিৱসাগৰ জিলাৰ ৩৭ নম্বৰ ৰাষ্ট্ৰীয় ঘাইপথৰ দিখৌ নদীৰ ওপৰত থকা গেমন দলংখনৰ খহি যোৱা অংশ যুদ্ধকালীন তৎপৰতাৰে পুনৰ নিৰ্মাণ কৰিবলৈ কংগ্ৰেছ সাংসদ গৌৰৱ গগৈয়ে কেন্দ্ৰীয় পথ পৰিবহন আৰু ঘাইপথ মন্ত্ৰী নীতিন গাডকাৰীলৈ পত্ৰ প্ৰেৰণ কৰিছে। উল্লেখযোগ্য যে, যোৱা শুকুৰবাৰে দলংখনৰ এটা অংশ খহি পৰাৰ ফলত পথটোৰে যাতায়াত ব্যৱস্থা বন্ধ হৈ পৰিছে। যোৰহাট, ডিব্ৰুগড় আৰু তিনিচুকীয়া সংযোগী এই পথটোৰে যোগাযোগ ব্যৱস্থা ব্যাহত হোৱাৰ ফলত বৃহত্তৰ অঞ্চলটোৰ জনসাধাৰণ ভিতৰুৱা পথেৰে যাত্ৰা কৰিবলগীয়া হোৱাত গন্তব্য স্থান পাবলৈ অতিৰিক্ত ২০-৩০ কিলোমিটাৰ পথ অতিক্ৰম কৰিবলগীয়া হৈছে। জৰুৰীকালীন সেৱা আগবঢ়োৱা এম্বুলেন্স আৰু অত্যাৱশ্যকীয় সামগ্ৰী কঢ়িওৱা ট্ৰাকসমূহৰ যাতায়াততো বাধাৰ সৃষ্টি হৈছে। যাৰ বাবে সমগ্ৰ অঞ্চলটোত অৰ্থনৈতিক প্ৰভাৱ পৰাৰ লগতে ব্যৱসায়িক কামকাজত স্থবিৰতা আহি পৰিছে। প্ৰশাসনিক গাফিলতিৰ বাবেই দলংখন এনেদৰে খহি পৰা বুলি সাংসদ শ্ৰী গগৈয়ে কেন্দ্ৰীয় মন্ত্ৰী নীতিন গাডকাৰিলৈ প্ৰেৰণ কৰা পত্ৰখনত অভিযোগ উত্থাপন কৰে।

ooooo

আই পি এল ক্ৰিকেট প্ৰতিযোগিতাত আজি গুৱাহাটীৰ বৰ্ষাপাৰা ক্ৰিকেট ষ্টেডিয়ামত ৰাজস্থান ৰয়েলছ চেন্নাই ছুপাৰ কিংছৰ বিৰুদ্ধে অৱতীৰ্ণ হ'ব। খেলখন সন্ধিয়া ৭ বজাত আৰম্ভ হ'ব।

যোৱা নিশা মুম্বাইৰ ৱাংখেড়ে ষ্টেডিয়ামত অনুষ্ঠিত এখন খেলত মুম্বাই ইণ্ডিয়ানছে কলকাতা নাইট ৰাইডাৰ্ছক ৬ উইকেটত পৰাস্ত কৰে।

oooooooo

**সমাপ্ত**